জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩৬/২০২৩**

# সাহিত্য সভাৰ অধিৱেশনলৈ আমন্ত্ৰণ জনোৱা নাছিল মুখ্যমন্ত্ৰীক

**দিছপুৰ, ২৮ ফেব্ৰুৱাৰী ঃ** ‘আমাৰ অসম’ কাকতৰ ২৭ ফেব্ৰুৱাৰী, ২০২৩ সংখ্যাত ‘নাৰায়ণপুৰলৈ নগ’লেও বড়ো-ৰাভা সাহিত্য সভাত উপস্থিত মুখ্যমন্ত্ৰী’ শীৰ্ষক এক বাতৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দৃষ্টিগোচৰ হৈছে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে এক বিবৃতিত জনায় যে মুখ্যমন্ত্ৰীয়ে সম্ভৱপৰ পৰিস্থিতিত সকলো জাতীয় অনুষ্ঠানৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি আহিছে। সেই মৰ্মেই ২৭ ফেব্ৰুৱাৰীত পলাশবাৰীত অনুষ্ঠিত নিখিল ৰাভা সাহিত্য সভাৰ অধিৱেশন আৰু কোকৰাঝাৰৰ পাটগাঁৱত অনুষ্ঠিত বড়ো সাহিত্য সভাৰ অধিৱেশনত মুখ্যমন্ত্ৰীয়ে অংশ লৈছিল।

কিন্তু নাৰায়ণপুৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিৱেশনলৈ সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিয়ে মুখ্যমন্ত্ৰীক আমন্ত্ৰণ জনোৱা নাছিল। নাৰায়ণপুৰ অধিৱেশনৰ পূৰ্বে সাহিত্য সভাৰ তদানীন্তন সভাপতিয়ে মুখ্যমন্ত্ৰীক বিভিন্ন কাৰ্যসূচীত কেইবাবাৰো লগ পাইছিল যদিও সেই সময়তো মুখ্যমন্ত্ৰীক সভাৰ নাৰায়ণপুৰ অধিৱেশনলৈ যোৱাৰ কথা কোৱা নাছিল। তেনে ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে নিমন্ত্ৰণ নোপোৱাকৈয়ে সাহিত্য সভাৰ অধিৱেশনলৈ যোৱাৰ প্ৰশ্ন নিশ্চয় উত্থাপিত নহয়। অৱশ্যে সাহিত্য সভাৰ নাৰায়ণপুৰ অধিৱেশনৰ আদৰণি সমিতিয়ে মুখ্যমন্ত্ৰীক আমন্ত্ৰণ জনাইছিল। কিন্তু অধিৱেশনখন যিহেতু অসম সাহিত্য সভাৰহে, সেয়ে কেন্দ্ৰীয় সমিতিয়ে আমন্ত্ৰণ নজনোৱাকৈ মুখ্যমন্ত্ৰীয়ে নিজাববীয়াকৈ অধিৱেশনত অংশ লোৱাৰ প্ৰশ্ন নিশ্চয় উত্থাপিত নহয়। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে স্পষ্ট কৰি দিয়ে যে সকলো জাতীয় অনুষ্ঠানৰ কাৰ্যসূচীত অংশ ল’বলৈ মুখ্যমন্ত্ৰী সদায়েই আগ্ৰহী। সেয়ে তুলনামূলক বক্তব্যৰে এনে বিষয়ৰ ক্ষেত্ৰত ভুল ছবি দাঙি নধৰিববৈলে মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে সংশ্লিষ্ট সকলো পক্ষক আহ্বান জনায়।

**পুঃডেঃ**
**২৮/২/২০২৩**